# REGIONAL NEWS UNIT
## AKASHVANI GUWAHATI

0000000000

**Date : 23-09-2025**
**Time : 21-25 Hrs**

### ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

অসমবাসীক শোকাহত কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ ‘জুবিনক্ষেত্ৰ’ত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। তেওঁৰ নশ্বৰ দেহত মুখাগ্নি কৰাৰ লগে লগে অগণিত অনুৰাগীয়ে অশ্ৰু অঞ্জলিৰে প্ৰাণৰ শিল্পীজনক সমস্বৰে **মায়াবিনী** গীত গাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

**মায়াবিনী**

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও সমাধিস্থলীত প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, এবছু, আটাছুকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়েও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ হৈ ৰাজ্যখনৰ আৱাসিক আয়ুক্তই জনতাৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনায়।

ভগ্নী পামী বৰঠাকুৰে চিতাত মুখাগ্নি কৰে। তেওঁক সহযোগ কৰে ৰাহুল গৌতম শৰ্মা আৰু অৰুণ গাৰ্গে। ২১ জাঁই টোপধবনিৰে আৰক্ষীয়েও শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। উপস্থিত অগণন লোকৰ জয়ধবনিৰ মাজেৰে অৱশেষত পঞ্চভূতত বিলিন হ’ল গানেৰে জনতাৰ হৃদয়ত ঘৰ সজা শিল্পী জুবিন গাৰ্গ।

ইয়াৰ আগেয়ে আজি পুৱা ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা জুবিনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হৈছিল। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গে শেষকৃত্যৰ পাছত অস্থি সংগ্ৰহ কৰাৰ লগতে সমাধিস্থলীত শিল্পীগৰাকীৰ প্ৰিয় নাহৰ পুলি ৰোপণ কৰে।

পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ’ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ’ব। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি শিল্পীগৰাকীৰ সন্মানাৰ্থে আজি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকে। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহো বন্ধ থাকে যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হয়। আজি শিল্পীগৰাকীৰ সন্মানাৰ্থে গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ ৰখা হয়।

জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ৰাজ্যত সৃষ্টি হোৱা অভূতপূৰ্ব পৰিস্থিতিক লৈ দেশ-বিদেশৰ ভালেমান সংবাদ মাধ্যমে বাতৰি প্ৰচাৰ কৰিছে। তদুপৰি বহু যশস্বী সংগীত তাৰকাই তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

মায়াৰ পৃথিৱী এৰি আদৰৰ শিল্পীগৰাকী কায়িকভাৱে আঁতৰি গৈছে যদিও সৃষ্টিৰাজী আৰু মানৱতাৰ সংজ্ঞাৰে তেওঁ অসমত চিৰদিন জীয়াই থাকিব।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ আজি শেষকৃত্যৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ জনজীৱন স্থবিৰ হৈ পৰে। সকলো জিলাতে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে দোকান-পোহাৰসমূহো বন্ধ হৈ থাকে। ডিব্ৰুগড় জিলা নালিয়াপুল যুৱ উন্নয়ন পৰিষদে আজি অসম চিকিৎসা মহাবিদ্যালয়ত ৰোগীসকলৰ লগতে আত্মীয়সকলক প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই আহাৰ বিতৰণ কৰে। জিলাখনৰ সদৌ অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ আহ্বানত ১৮৩ খন বাগিছা বন্ধ ৰাখি শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই আজি বাক্সা জিলাৰ বাহবাৰীত মানস ৰাষ্ট্ৰীয় উদ্যান জীপ চাফাৰী এছোছিয়েছনৰ উদ্যোগত আৰু জুবিন গাৰ্গৰ অনুৰাগীসকলৰ সহযোগত এটা কাৰ ৰেলী উলিওৱা হয়। আজি সন্ধিয়া বজালী জিলাৰ ভৱানীপুৰত মৌন সমদল কৰি এহেজাৰ চাকি জ্বলাই জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। বাক্সাৰ অঞ্চলী আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত মহান শিল্পীগৰাকীৰ স্মৃতিত এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত ধুবুৰী জিলাতো শোকাকুল পৰিবেশে বিৰাজ কৰিছে। ধুবুৰীৰ মৃতশিল্পী প্ৰদীপ কুমাৰ কোচে আজি জুবিন গাৰ্গৰ এটি প্ৰতিমুৰ্তি সাজি উলিয়াই প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ধুবুৰীৰ ঐতিহ্যমণ্ডিত গুৰুদ্বাৰতো পূৰ প্ৰান্তৰ শিখ প্ৰতিনিধি বোৰ্ডৰ সভাপতিৰ উপস্থিতিত গুৰুদ্বাৰত থকা ভক্তপ্ৰাণ ৰাইজে শিল্পী জুবিন গাৰ্গক বিশেষভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লখিমপুৰত আজি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ সমিতিৰ উদ্যোগত উত্তৰ লখিমপুৰ খেলপথাৰত ৫ হাজাৰ বন্তি প্ৰজলন কৰি জুবিন গাৰ্গৰ নাম লিখি শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। ৰাজ্যৰ অন্যান্য জিলাতো আজি শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনাৰে সৰ্বধৰ্ম প্ৰাৰ্থনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তানে টছত জিকি প্ৰথমে শ্ৰীলংকাক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। বাতৰি যুগুতোৱাৰ পৰলৈকে শ্ৰীলংকাই ১৫ অভাৰত ৬ টা উইকেট হেৰুৱাই ৮৮ ৰাণ কৰি খেলি আছে।

০০০০০০

সমাপ্ত